NSD NEWS UNIT
AKASHVANI GUWAHATI
0000000000

Date : 05-11-2026
Time : 19-10 Hrs

ASSAMESE EVENING BULLETIN

১। ভাৰতৰ পৰম্পৰাগত জ্ঞানে সদায় প্ৰকৃতিৰ প্ৰতি সন্মান আৰু প্ৰাকৃতিক সম্পদৰ দায়িত্বশীল ব্যৱহাৰৰ ওপৰত গুৰুত্ব দি আহিছে বুলি উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মন্তব্য কৰে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি চেইণ্ট জনছত প্ৰৱাসী ভাৰতীয়ৰ এটা অনুষ্ঠানত এণ্টিগুৱা আৰু বাৰ্বুদাৰ গৱৰ্ণৰ জেনেৰেল ৰদনি উইলিয়ামছক সাক্ষাৎ কৰে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ১৮৫৭ চনৰ স্বাধীনতাৰ প্ৰথম ৰণৰ সাহসী সৈনিকসকলৰ স্মৃতিত আম্বালা কেণ্টত নিৰ্মাণ কৰা ছহীদ স্মাৰক আজি উদ্বোধন কৰে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অনুষ্ঠিত এছিয়ান পেৰা গেমছ্ ২০২৬ ত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰে। ***আ/ৰু***

৫। এচিয়ান ছেম্পিয়নছ্ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত-জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০

ভাৰতৰ পৰম্পৰাগত জ্ঞানে সদায় প্ৰকৃতিৰ প্ৰতি সন্মান আৰু প্ৰাকৃতিক সম্পদৰ দায়িত্বশীল ব্যৱহাৰৰ ওপৰত গুৰুত্ব দি আহিছে বুলি উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মন্তব্য কৰে। নতুন দিল্লীত ভাৰত নৱীকৰণযোগ্য শক্তি সন্মিলন আৰু এক্সপোৰ সামৰণি অধিবেশনত ভাষণ দি উপৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বহনক্ষম ক্ষমতা দেশৰ প্ৰাচীন পৰম্পৰাত শিপাই শিপাই নিহিত হৈ আছে আৰু এতিয়া আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ জৰিয়তে ইয়াক শক্তিশালী কৰা হৈছে। তেওঁ উল্লেখ কৰে যে ভাৰতৰ দ্ৰুত অৰ্থনৈতিক বিকাশ হৈছে আৰু জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাইছে।

০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি চেইণ্ট জনছত প্ৰৱাসী ভাৰতীয়ৰ এটা অনুষ্ঠানত এণ্টিগুৱা আৰু বাৰ্বুদাৰ গৱৰ্ণৰ জেনেৰেল ৰদনি উইলিয়ামছক সাক্ষাৎ কৰে। অনুষ্ঠানত ড০ জয়শংকৰে প্ৰৱাসী ভাৰতীয়সকলৰ লগত মত বিনিময় কৰি ভাৰত আৰু এণ্টিগুৱা-বাৰ্বুদাৰ মাজৰ বন্ধন সুদৃঢ় কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদানৰ প্ৰশংসা কৰে। এই ভ্ৰমণৰ সময়তে তেওঁ চেইণ্ট জনছত অনুষ্ঠিত হোৱা কমনৱেল্থ হেদছ অৱ গৱৰ্ণমেণ্ট মিটিং ২০২৬ ৰ মাজতে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এণ্টনি আলবানিজক সাক্ষাৎ কৰে আৰু ব্ৰিটিছ প্ৰধানমন্ত্ৰী এণ্ড্ৰি বাৰ্ণহামৰ সৈতেও এখন বৈঠকত মিলিত হয় য'ত সৰ্বাঙ্গীন অৰ্থনৈতিক আৰু বাণিজ্য

চুক্তিৰ প্ৰেক্ষাপটত দ্বিপাক্ষিক অৰ্থনৈতিক সহযোগিতা বৃদ্ধিৰ বিষয়ে আলোচনা কৰে আৰু উন্নয়নশীল বিশ্ব পৰিস্থিতিৰ ওপৰত মত বিনিময় কৰে। বিদেশ মন্ত্ৰীগৰাকীয়ে ইয়াৰ আগেয়ে গুয়ানাৰ ৰাষ্ট্ৰপতি মহম্মদ ইৰফান আলীয়ে এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ভাৰতে ইতিমধ্যে গুয়ানাৰ বহুকেইটা উন্নয়নমূলক প্ৰকল্প সম্পূৰ্ণ কৰিছে আৰু নতুন ঋণৰ সুবিধা প্ৰদানৰ জৰিয়তে দুয়োখন দেশৰ মাজৰ উন্নয়নমূলক অংশীদাৰিত্ব অধিক সুদৃঢ় হ'ব বুলি আশা কৰা হৈছে। দুয়োখন দেশে লগতে যোগান তথা ক্ষুদ্ৰ আৰু লঘু উদ্যোগ নিৰ্মাণ প্ৰকল্প স্থাপন আৰু ক্ষীপ্ৰ প্ৰভাৱ পৰা প্ৰকল্পৰ ৰূপায়ণৰ বাবে অনুদানত অনুমোদনকে ধৰি ৩ খন চুক্তিত স্বাক্ষৰ কৰে। ভাৰতে দক্ষিণ আমেৰিকাৰ দেশ গুয়ানাৰ পথ, স্বাস্থ্য আৰু প্ৰতিৰক্ষা প্ৰকল্পৰ বাবে ৫০ কোটি ডলাৰৰ ঋণৰ সুবিধা প্ৰদান কৰিব বুলি ঘোষণা কৰিছে। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, শক্তি, কৃষি, আন্তঃগাথনি উন্নয়ন, ডিজিটেল প্ৰযুক্তি আৰু সামৰ্থ নিৰ্মাণকে ধৰি পাৰস্পৰিক স্বাৰ্থ সম্বলিত খণ্ডসমূহত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰে।

০০০

কেন্দ্ৰীয় তথ্য, সম্প্ৰচাৰ আৰু ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণক লৈ কংগ্ৰেছে জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ অভিযোগ উত্থাপন কৰিছে। আজি জয়পুৰত এখন ৰাজহুৱা সভাত ভাষণ দি বিজেপিৰ সমগ্ৰ দেশজুৰি চলি থকা "গণতন্ত্ৰ বচাওক আৰু অৰাজকতা দূৰ কৰক" অনুষ্ঠানৰ অংশ হিচাপে তেওঁ কয়, যে প্ৰথমবাৰৰ বাবে দেশত এছ আই আৰ কাৰ্যসূচী লোৱা হোৱা নাই আৰু ইয়াৰ মূল উদ্দেশ্য হৈছে ভোটাৰ তালিকা সম্পূৰ্ণৰূপে সংশোধন কৰা। শ্ৰীবৈষ্ণৱে কংগ্ৰেছক ই ভি এমত অনিয়মৰ অভিযোগক লৈ প্ৰশ্ন উত্থাপন কৰে। ই ভি এম প্ৰৱৰ্তনৰ পিছৰে পৰা ভোটাৰসকলে বিভিন্ন ৰাজনৈতিক দলক, কেতিয়াবা বিজেপি, কেতিয়াবা কংগ্ৰেছক সুযোগ দিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। কিন্তু বিজেপিয়ে কেতিয়াও এই প্ৰতিষ্ঠানসমূহৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা নাছিল। তেওঁ আঙুলিয়াই দিয়ে যে কংগ্ৰেছে কেৰালাৰ নিৰ্বাচনত জয়ী হোৱাৰ সময়ত এনে প্ৰশ্ন উত্থাপন হোৱা নাছিল। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছক এইবোৰ বিষয় সামাজিক মাধ্যমত উত্থাপন নকৰি সংসদত উত্থাপন কৰিবলৈ কয়। তেওঁ কয়, যে সংসদৰ প্ৰতিটো বিষয়তে আলোচনা কৰিবলৈ চৰকাৰ সাজু।

বাইট-বৈষ্ণৱ

কেৱল সংবিধানৰ প্ৰতিলিপি প্ৰদৰ্শন কৰাটোৱে যথেষ্ট নহয়, ইয়াৰ সাৰমৰ্ম বুজিব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰী বৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশখনক নতুন শিখৰলৈ লৈ গৈছে আৰু ভাৰত এতিয়া শত্ৰুৰ ভূখণ্ডত আক্ৰমন কৰিবলৈ সক্ষম হৈছে। কংগ্ৰেছৰ শাসনকালত বৃদ্ধি পোৱা নক্সালবাদ প্ৰধানমন্ত্ৰী মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত নিৰ্মূল হোৱা বুলিও তেওঁ কয়।

জয়পুৰ বিমান বন্দৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰী বৈষ্ণৱে কয়, যে শ্ৰীগংগা নগৰৰ ৰে'লপথত শেহতীয়াকৈ সংঘটিত হোৱা বিস্ফোৰণৰ তদন্ত ৰে'ল আৰু ৰাজ্য চৰকাৰৰ বিষয়াসকলে যৌথভাৱে চলাই আছে। ঘটনাৰ প্ৰাথমিক তদন্তৰ পাছত ৰাজ্য চৰকাৰে এন আই এৰ দ্বাৰা তদন্তৰ সিদ্ধান্ত লব। ৰে'ল মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে দীপাৱলীৰ সময়ত দেশত অতিৰিক্ত যাত্ৰীৰ চাহিদা পূৰণৰ বাবে বিশেষ ৰে'ল চলোৱা হৈছে।

০০০

কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে ১৮৫৭ চনৰ স্বাধীনতাৰ প্ৰথম ৰণৰ সাহসী সৈনিকসকলৰ স্মৃতিত আম্বালা কেণ্টত নিৰ্মাণ কৰা ছহীদ স্মাৰক আজি উদ্বোধন কৰে। অনুষ্ঠানত কেন্দ্রীয় মন্ত্রী মনোহৰ লাল, হাৰিয়ানাৰ মুখ্যমন্ত্রী নায়াব সিং চেইনি, আম্বালা কেণ্টৰ বিধায়ক অনিল বিজৰ লগতে হাৰিয়ানা চৰকাৰৰ কেইবাগৰাকীও মন্ত্রী উপস্থিত থাকে। এই স্মাৰকত ১৮৫৭ চনৰ স্বাধীনতা সংগ্রামৰ সৈতে জড়িত ৭০০ৰো অধিক ছহিদৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ কৰা হৈছে। ৮০০ কোটি টকা ব্যয় সাপেক্ষে ২২ একৰ ভূমি সামৰি নিৰ্মাণ কৰা এই স্মাৰক হাৰিয়ানাৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ অন্যতম হিচাপে বিবেচিত হ'ব। ইয়াৰ ফলত নতুন প্ৰজন্মই ইতিহাস অধ্যয়নৰ জৰিয়তে কেৱল ছহীদসকলৰ ত্যাগৰ বিষয়ে অৱগত হোৱাতেই সীমাবদ্ধ নাথাকি প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিব।

গৃহমন্ত্রী শ্রী শ্বাহে আজি আম্বালাৰ গান্ধী মৈদানত এখন জনসভাত ভাষণ দিয়ে।

০০০

কেন্দ্রীয় চৰকাৰে বিকশিত ভাৰত গ্রাম্য কৰ্মসংস্থাপন নিশ্চিতকৰণ আৰু জীৱিকা মিছন ভি বি জি ৰামজী আইন ২০২৫ৰ অধীনত বিভিন্ন আঁচনিৰ একত্রীকৰণেৰে পশু খাদ্য সুৰক্ষা, চৰণীয়া পথাৰৰ বিকাশ আৰু পশুধনৰ বাবে অনকূল পৰিকাঠামোৰ সুদৃঢ়কৰণৰ উদ্দেশ্যে সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চললৈ পৰামৰ্শাৱলী জাৰি কৰিছে। গ্রামোন্নয়ন আৰু পশুপালন তথা দুগ্ধ উৎপাদন বিভাগে যুটীয়াভাৱে এই পৰামৰ্শ প্রদান কৰিছে। এই উদ্যমৰ অধীনত পশুখাদ্যৰ অভাৱৰ জোৰা মৰা, পশুধনৰ সৈতে জড়িত আন্তঃগাঁথনিৰ সুদৃঢ়কৰণ আৰু গ্রামাঞ্চলৰ পৰিয়ালসমূহ, বিশেষকৈ ক্ষুদ্র আৰু উপান্ত খেতিয়ক তথা দুগ্ধ উৎপাদন আৰু পশুপালনৰ সৈতে জড়িত ভূমিহীন পৰিয়ালৰ জীৱিকা নিশ্চিত কৰাৰ বাবে সকলো বিভাগৰ মাজত সমন্বয়ৰ দৃষ্টিভংগী গ্রহণ কৰা হৈছে। পৰামৰ্শাৱলী ভি বি জি ৰামজীৰ কাঠামোৰ অধীনত ৩৭৫ অনুমোদিত কাৰ্যৰ তালিকাৰ পৰা ২২ বিধ কাৰ্যক চিনাক্ত কৰা হৈছে। ইয়াৰ ভিতৰত পশুখাদ্যৰ খেতি আৰু মজুতকৰণ, চৰণীয়া পথাৰৰ বিকাশ, পশুধনৰ বাবে আশ্রয়, দুগ্ধ উৎপাদন পৰিকাঠামো আৰু পশু চিকিৎসা সুবিধা অন্যতম।

০০০

বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ আজি ষোড়শ মৃত্যু তিথিত শিল্পীগৰাকীৰ স্মৃতিত শ্রদ্ধা জনাই ৰাজ্যৰ বিভিন্ন প্রান্তত অনুষ্ঠানৰ আয়োজন কৰা হৈছে।।

কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহেও মৃত্যু বার্ষিকী উপলক্ষে ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ড০ ভূপেন হাজৰিকাক আজি শ্রদ্ধাৰে স্মৰণ কৰে। শ্রী শ্বাহে সামাজিক মাধ্যমযোগে দি এটা বার্তাত কিংবদন্তী গায়ক আৰু সুৰকাৰ গৰাকীক স্থায়ী সাংস্কৃতিক ঐতিহ্যৰ বাহক বুলি অভিহিত কৰে। শিল্পীগৰাকীৰ একতাৰ বার্তাই মানৰ জাতিক সদায় অনুপ্রাণিত কৰি যাব বুলি তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাইও প্রয়ান দিৱস উপলক্ষে বিশ্ব ৱৰেণ্য শিল্পীগৰাকীলৈ শ্রদ্ধার্ঘ্য নিবেদন কৰিছে। ড° ভূপেন হাজৰিকা কালজয়ী সৃষ্টি আৰু আদর্শ আমাৰ মাজত অমৰ হৈ ৰ'ব বুলি তেওঁ মন্তব্য কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অনুষ্ঠিত এছিয়ান পেৰা গেমছ ২০২৬ ত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰে। এইবাৰ জাপানৰ আইচি নাগোয়াত অনুষ্ঠিত এছিয়ান পেৰা গেমছত ভাৰতে এতিয়ালৈকে সৰ্বোত্তম প্ৰদৰ্শন কৰে। মুঠ ৯৭ গৰাকী ভাৰতীয় পেৰা এথলীটে ৩০ টা সোণ, ৩৫ টা ৰূপ আৰু ৪৯ টা ব্ৰঞ্জৰ পদকসহ মুঠ ১১৪ টা পদক লাভ কৰে। এই কাৰ্যসূচীত খেলুৱৈ, প্ৰশিক্ষক, ভাৰতৰ পেৰা অলিম্পিক সমিতি আৰু ইণ্ডিয়ান অলিম্পিক এছোচিয়েছনৰ বিষয়ববীয়া, ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেছনৰ প্ৰতিনিধি, যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০

ভাৰত আজি এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখন খন্তেক সময় পূৰ্বে মোহালিৰ অলিম্পিয়ান বলবীৰ সিং চিনিয়ৰ আন্তঃৰাষ্ট্ৰীয় হকী ষ্টেডিয়ামত আৰম্ভ হৈছে।

বিগত বৰ্ষৰ চেম্পিয়ন ভাৰতে কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ৮-১ গ'লত সহজে বিজয় সাব্যস্ত কৰে। ইপিনে, চেমি ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে পেনাল্টি শ্বুটআউটত ৫-৩ গ'লত বিজয় অৰ্জন কৰি জাপানে ফাইনেলত স্থান নিশ্চিত কৰে। প্ৰতিযোগিতাৰ ব্ৰঞ্জৰ পদকৰ বাবে হ'বলগীয়া খেলখনত দক্ষিণ কোৰিয়া মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব খেলিব।

০০০

সমাপ্ত